**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 03-03-2026
**Time :** 18-45 Hrs.

***Assamese Evening Bulletin***

১। দৌল উৎসৱ উপলক্ষে সত্ৰনগৰী বৰপেটা, মাজুলী, বটদ্ৰবাকে ধৰি বিভিন্ন সত্ৰ-দৌলত অগনন ভক্তৰ ভিৰ।

২। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰাত প্ৰথমখন চৰকাৰী অৰ্কিড উদ্যান মুকলি।

৩। ৰাজ্যসভাৰ অসমৰ ২ খন আসনৰ বাবে বিজেপিৰ প্ৰাৰ্থী ঘোষণা।

৪। বটদ্ৰবাৰ মহাপুৰুষজনাৰ আৱিৰ্ভাৱ ক্ষেত্ৰত দৰ্শনাৰ্থীৰ বাবে জাতীয় সাজ-পাৰ পৰিধান কৰাটো বাধ্যতামূলক হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ। *আৰু*

৫। প্ৰধানমন্ত্ৰীৰ শিলচৰ ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত কাছাৰ জিলা প্ৰশাসনৰ সৈতে মন্ত্ৰী পীযুষ হাজৰিকাৰ বৈঠক।

ooooo

সমগ্ৰ ৰাজ্যতে দৌল উৎসৱ উপলক্ষে আনন্দমুখৰ পৰিবেশে বিৰাজ কৰিছে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে জনসাধাৰণে পৰস্পৰক আবিৰ সানি ফাকুৱাৰ আনন্দ উপভোগ কৰিছে। সত্ৰনগৰী বৰপেটা, গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা আৰু মাজুলীৰ সত্ৰসমূহত আধ্যাত্মিক ৰীতি-নীতি তথা আনন্দ উৎসাহেৰে দৌল উৎসৱ পালন কৰা হৈছে।

ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত কালি সন্ধিয়া গন্ধযাত্ৰাৰে পাঁচ দিনীয়া দৌল মহোৎসৱৰ শুভাৰম্ভ কৰা হয়। আজি প্ৰথম ভৰদৌল পালন কৰা হয়। গোসাঁইৰ গাত ফাকু গুৰি ছটিয়াই সেৱা জনাবলৈ সত্ৰৰ চৌহদত প্ৰতিবছৰৰ দৰে এইবাৰো অগনন লোকৰ সমাগম হৈছে। বৰপেটাৰ পাটবাউসী, গণককুছি, সুন্দৰীদিয়া আৰু বাৰাদি সত্ৰতো দৌল মহোৎসৱ উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। কৃষ্ণ বন্দনা আৰু হোলী গীতেৰে বৰপেটাৰ আকাশ-বতাহ মুখৰ হৈ উঠিছে।

উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীদৌল গোবিন্দ মন্দিৰত আধ্যাত্মিক পৰম্পৰা আৰু ৰীতি-নীতিৰে দৌল উৎসৱ উদযাপন কৰা হৈছে। কোচবিহাৰৰ মধুপুৰ সত্ৰতো কালিৰে পৰা দৌল উৎসৱ উদযাপন কৰা হৈছে।

দৰং জিলাৰ বিভিন্ন সত্ৰ, দেৱালয়, নামঘৰ আদিতো দৌল উৎসৱ উদযাপন কৰা হৈছে। জিলাখনৰ দিপীলাৰ ঐতিহাসিক খটৰা সত্ৰ, হাজৰিকাপাৰাৰ দেৱানন্দ সত্ৰ, ডুনীৰ গোপাল থান, মঙলদৈৰ বিষ্ণু মন্দিৰ আদি পৰম্পৰাগত ৰীতি-নীতি আৰু উলহ-মালহেৰে দৌল উৎসৱ পালন কৰা হৈছে।

বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত জেং ৰেং পাৰাত কালিৰে পৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ১০১ সংখ্যক দৌল মহোৎসৱ উদযাপন কৰা হৈছে। জিলাখনৰ কদমগুৰিটো কালিৰে পৰা পাঁচদিনীয়াকৈ দৌল মহোৎসৱ অনুষ্ঠিত হৈছে। আজি প্ৰভাত ফেৰী, পূজা অৰ্চনা, শাস্ত্ৰ পাঠ, হোমযজ্ঞকে ধৰি কেইবাটাও কাৰ্যসূচী সম্পন্ন হয়।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাত গুৰুজনাই প্ৰায় ৫০০ বছৰ পূৰ্বে আৰম্ভ কৰা পৰম্পৰাৰ সৈতে সংগতি ৰাখি কালিৰেপৰা পাঁচদিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। আজি সত্ৰীয়া নীতি-নিয়মেৰে গোসাঁইৰ মূৰত ফাকু দিয়া হয়। আজি গোটেই নিশা গোসাঁইক ৰভাঘৰত থৈ নাম-প্ৰসংগ কৰা হ'ব। নিশাৰ ভাগত আকাশী গংগা তীৰৰ আই খেৰসুঁতি সাংস্কৃতিক মঞ্চত সত্ৰীয় অনুষ্ঠান আৰু গুৰুজনাৰ অপূৰ্ব সৃষ্টি পাৰিজাত হৰণ নাট পৰিৱেশন কৰা হ'ব।

মাজুলীৰ ঐতিহাসিক দক্ষিণপাট সত্ৰ, গড়মূৰ সত্ৰ, বেঙেনাআটী সত্ৰ, চামগুৰি সত্ৰকে ধৰি কেইবাখনো সত্ৰত কালিৰে পৰা ফল্গুৎসৱ অনুষ্ঠিত হৈছে। দক্ষিণপাট সত্ৰত আজি দেৱদোলন আৰু ৰাজদোলন কাৰ্যসূচী অনুষ্ঠিত হয়। কাইলৈ মনুষ্য দোলনৰ পাছতে ফাকুখেলি কাৰ্যসূচী সামৰা হ'ব।

দৌল উৎসৱ আৰু ফাকুৱা উপলক্ষে গুৱাহাটী মহানগৰীতো উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। ফাকুৱা উপলক্ষে কামৰূপ মহানগৰ জিলাৰ লগতে কেবাখনো জিলাৰ প্ৰশাসনে কাইলৈ স্থানীয় বন্ধ ঘোষণা কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দৌল উৎসৱ উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে এটা বাৰ্তাযোগে প্ৰকৃতি আৰু আধ্যাত্মিকতাৰে সংপৃক্ত এই উৎসৱে অসুয়া অপ্ৰীতি নাশ কৰি সকলোৰে জীৱন আনন্দময় কৰি তুলিব বুলি আশা প্ৰকাশ কৰে। ফাকুৱা উপলক্ষে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু ৰাজ্যৰ শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱেও জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে।

ooooo

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰাত আজি প্ৰথমখন চৰকাৰী অৰ্কিড উদ্যান মুকলি কৰা হয়। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি উদ্যানখন আনুষ্ঠানিকভাবে মুকলি কৰে। এই উদ্যান দেশ-বিদেশৰ পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হিচাপে পৰিগণিত হোৱাৰ সম্ভাৱনা আছে। প্ৰথম পৰ্যায়ত ১৬ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই অৰ্কিড উদ্যানত বিৰল প্ৰজাতিৰ ৯০০ বিধৰো অধিক অৰ্কিডৰ প্ৰাকৃতিকভাবে সংৰক্ষণ আৰু প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। ২০ বিঘা ভূমিত নিৰ্মাণ কৰি উলিওৱা উদ্যানখনত ৫০০ খন আসনযুক্ত সাংস্কৃতিক মঞ্চ, পৰ্যটন নিবাস, শিশু উদ্যান, প্ৰশাসনিক ভৱন, থলুৱা খাদ্যৰ ভোজনালয় আদিৰ ব্যৱস্থা আছে। ইয়াত অসমৰ স্থাপত্য ঐতিহ্য সংৰক্ষণৰ দিহা কৰা হৈছে। এই অৰ্কিড উদ্যানৰ জৰিয়তে স্থানীয় লোকসকলে আৰ্থিক উন্নয়নৰ সুযোগ লাভ কৰিব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে আজিৰ অনুষ্ঠানত দিয়া ভাষণত এই উদ্যানৰ জৰিয়তে জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ ব্যৱস্থা কৰা হ'ব বুলি উল্লেখ কৰাৰ লগতে ইয়াৰ দ্বাৰা পৰ্যটকৰ আগমন বৃদ্ধি হ'ব বুলি আশা প্ৰকাশ কৰে। পৰৱৰ্তী সময়ত এই উদ্যানত এহেজাৰ ৬০০ বিধৰো অধিক অৰ্কিড ৰখাৰ ব্যৱস্থা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। (বাইট)

আজিৰ অনুষ্ঠানত কৃষিমন্ত্ৰী অতুল বৰা, বিত্ত মন্ত্ৰী অজন্তা নেওগ, সাংসদ কামাখ্যা প্ৰসাদ তাছাকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

ৰাজ্যসভাৰ দুখন আসনৰ বাবে বিজেপিয়ে আজি প্ৰাৰ্থী ঘোষণা কৰিছে। বিজেপিৰ তেৰছ গোৱালা আৰু যোগেন মহনৰ নাম দুখন আসনৰ বাবে নিশ্চিত কৰা হৈছে যদিও তৃতীয়খন আসনৰ বাবে এতিয়াও প্ৰাৰ্থী চূড়ান্ত হোৱা নাই। বিহাৰৰ দুখন আসনৰ বাবে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন আৰু ছিবেশ কুমাৰৰ নাম ঘোষণা কৰা হৈছে। ছত্তিশগড় আৰু হাৰিয়ানাৰ এখনকৈ আসনৰ বাবে ক্ৰমে লক্ষ্মী বাৰ্মা আৰু সঞ্জয় ভাটিয়াৰ নাম ঘোষণা কৰা হৈছে। ওড়িশাত দুখন আসনৰ বাবে মনমোহন চামল আৰু সুজিত কুমাৰক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰা হৈছে। ৰাজ্যসভাৰ এখন আসনৰ বাবে পশ্চিমবংগত ৰাহুল সিনহাৰ নাম বাছনি কৰা হৈছে। উল্লেখযোগ্য যে ৰাজ্যসভাৰ নিৰ্বাচনৰ বাবে অহা ৫ মাৰ্চত মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন আৰু ১৬ মাৰ্চত নিৰ্বাচন অনুষ্ঠিত হ'ব।

ooooo

বটদ্ৰৱাৰ মহাপুৰুষজনাৰ আৱিৰ্ভাৱ ক্ষেত্ৰত দৰ্শনাৰ্থীৰ বাবে এতিয়াৰে পৰা জাতীয় সাজ-পাৰ পৰিধান কৰাটো বাধ্যতামূলক হ'ব। আৱিৰ্ভাৱ ক্ষেত্ৰত পবিত্ৰতা অক্ষুন্ন ৰখাৰ বাবে ৰাজ্য চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। অৱশ্যে ১২ বছৰৰ তলৰ শিশুৰ বাবে জাতীয় সাজ-পাৰ পৰিধান কৰাটো বাধ্যতামূলক নহ'ব। বটদ্ৰৱা থানত ৫ দিনীয়াকৈ অনুষ্ঠিত দৌল উৎসৱৰ আজি তৃতীয় দিনাৰ কাৰ্যসূচীত উপস্থিত হৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা ঘোষণা কৰিছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই অসমবাসীৰ মংগল কামনাৰে বটদ্ৰৱাত সেৱা জনোৱাৰ পাছত সাংবাদিকৰ আগত কয় যে এতিয়াৰে পৰা মহাপুৰুষজনাৰ আবিৰ্ভাৱ ক্ষেত্ৰত প্ৰৱেশ কৰা সকলো লোকে জাতীয় সাজ-পাৰ পৰিধান কৰিহে

প্ৰৱেশ কৰিব পাৰিব। বিধানসভা নিৰ্বাচনৰ পাছতে বটদ্ৰবাৰ আৱিৰ্ভাৱ ক্ষেত্ৰৰ বাকী থকা কামসমূহ সম্পূৰ্ণ কৰা হ'ব বুলিও তেওঁ কয়।

০০০০০

কেন্দ্ৰীয় চৰকাৰৰ মীন, পশুপালন আদি দপ্তৰৰ মন্ত্ৰী ৰাজীৱ ৰতন সিঙৰ সমাগত অসম ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত আজি যোৰহাট জিলা আয়ুক্ত কাৰ্য্যালয় কক্ষত এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত জয় শিৱানীৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত জিলাখনৰ কলীয়াপানীত হ'বলগীয়া দুগ্ধ সংশোধন প্ৰকল্পৰ আধাৰশিলা স্থাপন অনুস্থানৰ প্ৰস্তুতিৰ বুজ লোৱা হয়। বৈঠকত মৰিয়নি সমজিলা আয়ুক্ত, সহকাৰী আয়ুক্ত আৰু অন্যান্য উচ্চ পদস্থ বিষয়া সকল উপস্থিত থাকে।

০০০০০

২০২৪ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ জৰিয়তে অসম অসামৰিক সেৱা আৰু অন্যান্য সংলগ্ন সেৱাৰ বাবে নিৰ্বাচিত ২৮৪ গৰাকী আৰু ফৰেণচিক বিজ্ঞান সঞ্চালকালয়ত বৈজ্ঞানিক বিষয়া হিচাপে নিৰ্বাচিত পাঁচগৰাকী প্ৰাৰ্থীক কাইলৈ নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। তদুপৰি স্বাগত সতীৰ্থ প'ৰ্টেলৰ অধীনত পাৰস্পৰিক বদলিকৰণ পত্ৰও কাইলৈ প্ৰদান কৰা হ'ব। এই উপলক্ষে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী দামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন  মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, বিত্তমন্ত্ৰী অজন্তা নেওগ, জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, কৃষিমন্ত্ৰী অতুল বৰা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত আৰু পাৰ্বত্য অঞ্চল উন্নয়ন     মন্ত্ৰী যোগেন মহনেও অংশগ্ৰহণ কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ অহা ১৪ মাৰ্চত বৰাক উপত্যকা ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনসমূহে যাৱতীয় প্ৰস্তুতি অব্যাহত ৰাখিছে। বৰাক উপত্যকা ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰীয়ে শিলচৰত এখন জনসভাত অংশ লব। জলসম্পদ মন্ত্ৰী পিযুষ হাজৰিকাই আজি শিলচৰৰ প্ৰস্তাৱিত সভাস্থলী ৰামনগৰ বাইপাছ পৰিদৰ্শন কৰে। তেওঁ এই ভ্ৰমণ সন্দৰ্ভত কাছাৰ জিলা আয়ুক্ত কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠকত অংশ লয়। বৈঠকত বৰাক উপত্যকা উন্নয়ন মন্ত্ৰী কৌশিক ৰায়ৰ উপৰি কেইবাগৰাকীও বিধায়ক আৰু ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ প্ৰস্তুতি সন্দৰ্ভত শ্ৰীহাজৰিকাই এইদৰে কয়-

(বাইট)

০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলে যুটীয়াভাৱে ইৰানত চলোৱা আক্ৰমণ আৰু ইৰানৰ প্ৰত্যাক্ৰমনে পশ্চিম এচিয়া আৰু মধ্যপ্ৰাচ্যৰ পৰিস্থিতি জটিল কৰি তুলিছে। শেহতীয়াকৈ ইজৰাইলে টেহৰাণ আৰু বেৰুটৰ সামৰিক ঘাটিসমূহক লক্ষ্য কৰি একেলগে আক্ৰমণ আৰম্ভ কৰিছে। ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীসমূহে প্ৰকাশ কৰা মতে, তেওঁলোকৰ সৈনিকসকলক অগ্ৰিম প্ৰতিৰক্ষা ৰণকৌশলৰ অংশ হিচাপে দক্ষিণ লেবাননৰ সীমামূৰীয়া এলেকাসমূহত নিয়োগ কৰা হৈছে। ইজৰাইলে হিজবুল্লাহৰ আন্তঃগাঁথনিসমূহক লক্ষ্য কৰি আক্ৰমণ চলাই আছে বুলি দেশখনৰ প্ৰতিৰক্ষা বাহিনীসমূহে দাবী কৰিছে। ইজৰাইলে লগতে হিজবুল্লাই ইৰাণৰ শাসক পক্ষৰ হৈ ইজৰাইলৰ ওপৰত আক্ৰমণ কৰা বুলি অভিযোগ উত্থাপন কৰিছে। ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীসমূহে দেশখনৰ আক্ৰমণত বেৰুটত পেলেইষ্টাইনী ইছলামিক জিহাদ গোটৰ কামাণ্ডাৰ আবু হমজা ৰামী নিহত হোৱা বুলি নিশ্চিত কৰিছে। ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীসমূহে অন্য এটা আক্ৰমণত বেৰুটত হিজবুল্লাহৰ চোৰাংচোৱাৰ মুখ্য কাৰ্য্যালয়ৰ মুৰব্বী হুছেইন মকলডক হত্যা কৰিছে। ইফালে, আমেৰিকা যুক্তৰাষ্ট্ৰৰ কেন্দ্ৰীয় কামাণ্ডে আমেৰিকাৰ বাহিনীসমূহে ইছলামিক ৰেভিউলুছনাৰী গাৰ্ড ক'ৰৰ কামাণ্ড আৰু নিয়ন্ত্ৰণ কেন্দ্ৰ, ইৰাণৰ বায়ু প্ৰতিৰক্ষা সামৰ্থ্য, ক্ষেপণাস্ত্ৰ আৰু ড্ৰ'ণ উৎক্ষেপণ

স্থল আৰু সামৰিক ঘাটি নষ্ট কৰা বুলি জানিবলৈ দিছে। সংঘৰ্ষত এতিয়ালৈকে আমেৰিকাৰ ছজন সৈনিকে প্ৰাণ হেৰুৱাইছে।

ইপিনে, ইৰাণৰ চৰকাৰী সংবাদ মাধ্যমে প্ৰকাশ কৰা মতে, সংঘৰ্ষত বাহৰেইনত থকা আমেৰিকা যুক্তৰাষ্ট্ৰৰ এটা ঘাটিৰ কামাণ্ড ভৱন বিধবস্ত হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাবে থকা বাহৰেইনৰ ৰাষ্ট্ৰদূত আব্দুল্লা বিন ৰাছিদ বিন আব্দুল্লা অল খালিফাই বাহৰেইনৰ বায়ু প্ৰতিৰক্ষা প্ৰণালী ধবংস কৰাৰ লক্ষ্যৰে নিক্ষেপ কৰা ইৰাণৰ ৭০ টা বেলিষ্টিক ক্ষেপণাস্ত্ৰ আৰু ৫৯ টা ড্ৰ'ণ ধবংস কৰা বুলি দাবী কৰিছে। তেওঁ লগতে টেহৰাণে বাহৰেইনৰ অসামৰিক স্থানক লক্ষ্য কৰি আক্ৰমণ চলোৱা বুলিও অভিযোগ উত্থাপন কৰিছে।

ভাৰতে পশ্চিম এছিয়াৰ সংঘৰ্ষ আলোচনা আৰু কূটনীতিৰ মাজেৰে সমাধান কৰাৰ বাবে পুনৰ আহ্বান জনাইছে।

ooooo

সমাপ্ত